**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ই অ' এছ্-০৫ নামৰ কৃত্ৰিম উপগ্ৰহটো কঢ়িয়াই নিয়া জি এছ্ এল ভি - এফ-১৭ৰ সফল উৎক্ষেপনৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাক অভিনন্দন জ্ঞাপন কৰিছে।

২। নতুন দিল্লীত আজিৰে পৰা ব্ৰিকছ্ ৰাষ্ট্ৰগোষ্ঠীৰ মুখ্য ন্যায়াধীশসকলৰ মঞ্চৰ সন্মিলন অনুষ্ঠিত হৈছে।

৩। নেপাল আৰু তীববতত আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ২৮২ লৈ বৃদ্ধি হৈছে।

৪। সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতিৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদযাপন কৰা হৈছে।

আৰু

৫। চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় যুটি সাত্বিক ছাইৰাজ ৰণকিৰেড্ডি আৰু চিৰাগ ছেট্টীয়ে আজি বিয়লি কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত ডেনমাৰ্কৰ যুটিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ই অ' এছ্-০৫ নামৰ কৃত্ৰিম উপগ্ৰহটো কঢ়িয়াই নিয়া জি এছ্ এল ভি - এফ-১৭ৰ সফল উৎক্ষেপনৰ বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা, ইছৰোক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে এই সফল উৎক্ষেপনৰ জৰিয়তে ভাৰতৰ মহাকাশ খণ্ডৰ উৎকৃষ্টতা, উদ্ভাৱনী শক্তি আৰু ক্ৰমবৰ্ধমান সামৰ্থ্যৰ প্ৰতিফলন ঘটা বুলি মত প্ৰকাশ কৰে। ইছৰো আৰু ভাৰতীয় উদ্যোগৰ মাজত ক্ৰমান্বয়ে বৃদ্ধি পাই অহা সহযোগিতাই দেশখনৰ মহাকাশ আঁচনিসমূহলৈ নতুন শক্তিৰ যোগান ধৰা বুলিও উল্লেখ কৰি এই সফলতাক তেওঁ মহাকাশ গৱেষণা সংস্থাটোৰ বৃহৎ সাফল্য তথা দেশবাসীৰ বাবে গৌৰৱৰ কাৰণ বুলি অভিহিত কৰে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙেও ই অ' এছ্-০৫ নামৰ কৃত্ৰিম উপগ্ৰহটোৰ সফল উৎক্ষেপনৰ বাবে ইছৰোৰ শলাগ লৈছে। এই সফল উৎক্ষেপনৰ ফলত গ্ৰহটোৰ গতিবিধি নিৰীক্ষণৰ ক্ষেত্ৰত ভাৰতৰ সামৰ্থ্য অধিক শক্তিশালী হৈ উঠাৰ লগতে দেশখনৰ মহাকাশ সম্পৰ্কীয় আঁচনিসমূহৰ সামৰ্থ্য বৃদ্ধি পাব বুলি সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

একেদৰে বিজ্ঞান আৰু প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙেও উপগ্ৰহটোৰ সফল উৎক্ষেপনৰ বাবে ইছৰোক অভিনন্দন জনাইছে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে শ্ৰীহৰিকোটাৰ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ পৰা আজি পুৱতি নিশা পৃথিৱীৰ গতিৰ সৈতে একে সময়তে প্ৰদক্ষিণ কৰা ই অ' এছ্-০৫ নামৰ ভাৰতৰ প্ৰথমটো প্ৰতিবিম্ব গ্ৰহণকাৰী কৃত্ৰিম উপগ্ৰহ জি এছ্ এল ভি ৰকেটৰ সহায়ত সফলতাৰে উৎক্ষেপন কৰা হয়। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই জানিবলৈ দিছে যে পৃথিৱীক পৰ্যবেক্ষণ কৰিবলগীয়া এই অত্যাধুনিক উপগ্ৰহটোক উৎক্ষেপনৰ ১৮ মিনিটৰ পাছত সফলতাৰে কক্ষপথত স্থাপন কৰা হয়। ২৭ ঘণ্টাৰ সময় গণনাৰ অন্তত জি এছ্ এল ভি-এফ ১৭ ৰকেটৰ সহায়ত দুহেজাৰ ৩৬৭ কিলোগ্ৰাম ভৰসহ সতীশ ধাৱান মহাকাশ কেন্দ্ৰৰ দ্বিতীয়টো উৎক্ষেপনস্থলীৰ

পৰা পুৱতি নিশা ২ বাজি ৫৫ মিনিটত উৎক্ষেপন কৰা হয়। এই উপগ্ৰহটোৱে বাস্তৱ সময়ৰ চিত্ৰ প্ৰেৰণ কৰিব বুলি উল্লেখ কৰি ইছৰোই জানিবলৈ দিয়া মতে এই ব্যৱস্থাই কৃষি, দুৰ্যোগ ব্যৱস্থাপনা আদি ক্ষেত্ৰত দেশক সহায় কৰিব। ইছৰোৰ অধ্যক্ষ ভি নাৰায়ণনে কয় যে এই উৎক্ষেপনে ভাৰতৰ পৃথিৱী নিৰীক্ষণৰ সামৰ্থ্য বৃদ্ধি কৰাৰ লগতে এই ক্ষেত্ৰত উন্নত সেৱা প্ৰদান কৰিব।

০০০০০০

নতুন দিল্লীত আজিৰে পৰা ব্ৰিকছ ৰাষ্ট্ৰগোষ্ঠীৰ মুখ্য ন্যায়াধীশসকলৰ মঞ্চৰ সন্মিলন অনুষ্ঠিত হৈছে। এই সন্মিলনত ব্ৰিকছৰ সদস্য-ৰাষ্ট্ৰসমূহৰ লগতে সহযোগী দেশসমূহৰ পৰাও মুখ্য ন্যায়াধীশ, সৰ্বোচ্চ ন্যায়ালয়ৰ অধ্যক্ষ আৰু ন্যায়িক খণ্ডৰ জ্যেষ্ঠ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছে। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ আতিথ্যৰে আয়োজিত এই সন্মিলনৰ আজিৰ প্ৰথমটো দিনত ভাৰতৰ মুখ্য ন্যায়াধীশ সূৰ্য কান্তে ৰাছিয়া, চীন, ইজিপ্ত, ইণ্ডোনেছিয়া, সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ, বেলাৰুচ, কাজাখস্তান, দক্ষিণ আফ্ৰিকা, ইৰান আৰু উজবেকিস্তানৰ ন্যায়িক প্ৰতিনিধি দলৰ মুৰব্বীসকলৰ সৈতে সুকীয়াকৈ দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰিব। এনে বৈঠকত সংশ্লিষ্ট দেশসমূহৰ সৈতে পাৰস্পৰিক স্বাৰ্থজড়িত ন্যায়িক বিষয়সমূহক লৈ প্ৰত্যক্ষ মত বিনিময় তথা আলোচনা হোৱাৰ লগতে এই দ্বিপাক্ষিক বৈঠকসমূহে অংশগ্ৰহণকাৰী দেশসমূহৰ ন্যায়পালিকাৰ মাজত সম্পৰ্ক তথা সহযোগিতা অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে তিনিদিনীয়াকৈ আয়োজিত এই সন্মিলনে অংশগ্ৰহণকাৰী ন্যায়পালিকাসমূহক ন্যায় প্ৰদান, আন্তঃৰাষ্ট্ৰীয় সমস্যাৰ সমাধান, প্ৰযুক্তি তথা দীৰ্ঘস্থায়ী উন্নয়ন আদিৰ লেখিয়া সাম্প্ৰতিক বিষয়সমূহক লৈ আলোচনা কৰাৰ সুবিধা প্ৰদান কৰাৰ লগতে ন্যায়িক খণ্ডৰ নেতৃস্থানীয় ব্যক্তিসকলৰ মাজত ভিন ভিন বিষয়ক লৈ পাৰস্পৰিক মত-বিনিময়ৰ পথ প্ৰশস্ত কৰিব।

০০০০০০

নেপাল আৰু তীব্বতত হঠাতে অহা প্ৰলয়ংকৰী বানৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এহেজাৰ ২৮২ হৈছে। নেপালৰ আৰক্ষী সূত্ৰই জনোৱা অনুসৰি চিটৱান অঞ্চলত ৩৫৯ গৰাকী ৰাছুৱাত ১৪০ গোৰ্খাত ৭২, ধাদিঙত ৬০ আৰু তানাহুত ৩৮ গৰাকী লোকৰ মৃত্যু হৈছে। কাঠমাণ্ডুৰ চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত দুগৰাকী লোকৰ মৃত্যু হয়। দুৰ্যোগ প্ৰশমন আৰু ব্যৱস্থাপনা কৰ্তৃপক্ষৰ সূত্ৰ অনুসৰি কালি সন্ধিয়া পৰ্যন্ত ৫ হাজাৰ ৫৩ গৰাকী লোক নিৰুদ্দেশ হৈ থকাৰ তথ্য লাভ কৰা হৈছে। নেপাল চৰকাৰে নিহতসকলক চিনাক্ত কৰাৰ বাবে ডি এন এৰ পৰীক্ষা আৰম্ভ কৰিছে। ভোটেকোশি নদীৰ আকস্মিক বানৰ ফলত নেপালৰ ত্ৰিশূলী থ্ৰী এ জলবিদ্যুৎ প্ৰকল্পৰ সুৰংগত আৱদ্ধ হৈ থকা দুগৰাকী লোকক ১০ দিনৰ পাছত উদ্ধাৰকাৰী দলে জীৱন্তে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। নেপালৰ সেনা বাহিনীৰ জনসম্পৰ্কৰক্ষী সঞ্চালকালয়ৰ সূত্ৰ অনুসৰি সুৰংগটোৰ ভিতৰত শব্দ শুনাৰ পাছত উদ্ধাৰকাৰীসকলে অভিযান চলাই এই সফলতা লাভ কৰে। জৰুৰীকালীন দলসমূহে এতিয়ালৈকে ১২ হাজাৰৰো অধিক লোকক উদ্ধাৰ কৰিছে। বিগত মাহৰ ২৬ তাৰিখে নেপাল-তীব্বত সীমান্তৰ সমীপত হিমবাহ খহি পৰাৰ পাছত হোৱা আকস্মিক বানৰ ফলত নেপালৰ উত্তৰাঞ্চল আৰু মধ্য নেপালৰ ভালেমান অঞ্চল ধ্বংসস্তুপত পৰিণত হয়।

০০০০০০

সমগ্ৰ দেশতে আজি ধৰ্মীয় ৰীতি-নীতিৰে শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদযাপন কৰা হৈছে। জন্মাষ্টমী উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক শুভেচ্ছা জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দিয়া এটা বাৰ্তাত ভগৱান শ্ৰীকৃষ্ণৰ জীৱন আৰু শিকনিসমূহে দেশৰ সংস্কৃতি আৰু দাৰ্শনিক ঐতিহ্যত এটা নতুন মাত্ৰা প্ৰদান কৰিছে বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীকৃষ্ণৰ

আদৰ্শক আঁকোৱালি লৈ বিকশিত ভাৰত আৰু সামগ্ৰিক বিকাশৰ বাবে অবিৰামভাৱে কাম কৰি যোৱাৰ বাবে সকলোৰে প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে ভগৱান শ্ৰীকৃষ্ণৰ জীৱন আৰু বাৰ্তাই সত্য, ধৰ্ম, কৰ্তব্য আৰু সৎ আচৰণৰ পথ ল'বলৈ অনুপ্ৰাণিত কৰে। তেওঁ জনসাধাৰণক ভগৱান শ্ৰীকৃষ্ণৰ চিৰন্তন শিকনিসমূহক নিজৰ জীৱনত আঁকোৱালি লোৱাৰ সংকল্প লৈ সমাজত ঐক্য, শান্তি আৰু সম্প্ৰীতি শক্তিশালী কৰাত অৰিহণা যোগাবলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে শ্ৰীকৃষ্ণৰ ঐশ্বৰিক বাৰ্তাত নিঃস্বাৰ্থ কৰ্মৰ গভীৰ প্ৰেৰণা নিহিত হৈ আছে, যিয়ে মানৱতাক অহৰহ পথ প্ৰদৰ্শন কৰি আছে। শ্ৰী মোদীয়ে ভগৱান শ্ৰীকৃষ্ণৰ ভক্তি আৰু পূজাৰ প্ৰতি উৎসৰ্গিত এই পৱিত্ৰ উৎসৱে সকলোৰে জীৱনত ইতিবাচক শক্তিৰ সঞ্চাৰ কৰাৰ কামনা কৰে। গৃহমন্ত্ৰী অমিত শ্বাহে তেওঁৰ বাৰ্তাত ভগৱান শ্ৰীকৃষ্ণই সকলোকে আশীৰ্বাদ প্ৰদান কৰি থাকিব বুলি আশা প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে জন্মাষ্টমী উপলক্ষে দিয়া বাৰ্তাত শ্ৰীকৃষ্ণৰ লীলাৰ ব্যাখ্যা থকা শ্ৰীমদ্ভাগৱত গীতাই কৰ্তব্য, বিবেচনা আৰু সকলোৰে কল্যাণৰ প্ৰতি প্ৰেৰণা যোগায় বুলি মন্তব্য কৰে। তেওঁ ভগৱান শ্ৰীকৃষ্ণৰ আশীষেৰে দেশৰ জনসাধাৰণৰ বাবে সুখ, শান্তি, সমৃদ্ধি আৰু মংগল কঢ়িয়াই আনে বুলি উল্লেখ কৰি প্ৰতিটো পৰিয়ালৰ জীৱন আনন্দ আৰু নতুন শক্তিৰে ভৰি পৰক বুলি আশা প্ৰকাশ কৰে।

শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উপলক্ষে গকুল আৰু বৃন্দাবনৰ মন্দিৰসমূহৰ লগতে বাসগৃহসমূহো সজাই-পৰাই তোলা হৈছে। আমাৰ উত্তৰ প্ৰদেশৰ সংবাদদাতাই জানিবলৈ দিছে যে মথুৰা আৰু বৃন্দাবনত আজি নিশা ব্যাপক ৰূপত জন্মাষ্টমী উদযাপন কৰা হ'ব।

০০০০০০

চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় যুটি সাত্বিক ছাইৰাজ ৰণকিৰেড্ডি আৰু চিৰাগ ছেট্টীয়ে আজি বিয়লি কোৱাৰ্টাৰ ফাইনেলৰ এখন খেলত ডেনমাৰ্কৰ যুটি কিম আষ্ট্ৰোপ আৰু এণ্ডাৰ্ছ স্কাৰূপ ৰাছমোচেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৪ বাজি ১০ মিনিটত আৰম্ভ হ'ব। ভাৰতীয় যুটিটোৱে যোৱানিশাৰ এখন খেলত ফ্ৰান্সৰ টোমা জুনিয়ৰ পপ'ভ আৰু ক্ৰিষ্ট' পপ'ভক ২১-১৭, ২২-২৪, ২১-৯ গেমত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

ইপিনে, পুৰুষৰ ছিংগলছ্ত কিদাম্বি শ্ৰীকান্তে আজি চেনজেনত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত হংকঙৰ লী চিউক ইউৰ হাতত ১৬-২১, ১৬-২১ গেমত পৰাস্ত হয়। ইয়াৰ পূৰ্বে মহিলাৰ ছিংগলছ্ত কালি তনভি শৰ্মাই জাপানৰ টম'কা মিয়াজাকিৰ বিৰুদ্ধে ২১-১৭, ১৮-২১, ২১-১৬ গেমত পৰাস্ত হোৱাৰ পাছত ভাৰতৰ মহিলাৰ ছিংগলছ্ৰ অভিযান ইমানতে সামৰণি পৰে।

০০০০০০

ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত বিশ্বৰ পঞ্চদশ বাছনিৰ খেলুৱৈ কাৰেন খাচান'ভে চতুৰ্থ বাছনিৰ ফেলিক্স অগাৰ-এলিয়াছিমেক ৬-৭, ৬-৩, ৬-২, ৬-২ পইণ্টৰ ব্যৱধানত পৰাভূত কৰি বৃহৎ অঘটন সৃষ্টি কৰিছে। খাচান'ভৰ এই জয়লাভ বিশ্বৰ শীৰ্ষস্থানৰ ১০গৰাকী খেলুৱৈৰ বিৰুদ্ধে তেওঁ প্ৰথমটো বিজয় হিচাপে পৰিগণিত হৈছে। প্ৰতিযোগিতাত যোৱা বছৰ ছেমি ফাইনেল পৰ্যন্ত অগ্ৰসৰ হোৱা কানাডাৰ তাৰকা খেলুৱৈগৰাকীয়ে তিনি ঘণ্টাজোৱা খেলখনত উল্লেখনীয় সামৰ্থ্য প্ৰদৰ্শন কৰি জয়লাভ কৰে।

০০০০০০

***সমাপ্ত***